Total number of printed pages–4

**14 (ASM-1) 1036**

**2019**

# ASSAMESE

Paper : ASM-1036

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। সকলো প্ৰশ্ন বাধ্যতামূলক আৰু সমান নম্বৰৰ ঃ ১×১০=১০

(ক) ইংৰাজী culture শব্দৰ মূল কি? ১

(খ) শংকৰদেৱৰ নামঘৰক কোনে জাতীয় নাটশাল আখ্যা দিছে? ১

(গ) আহোম স্বৰ্গদেউসকলে টুপ লগোৱা ঘৰৰ আৰ্হি ক'ৰ পৰা আহৰণ কৰিছিল? ১

(ঘ) ফাৰক্ৰান্তি নৃত্য-গীত কি উৎসৱৰ লগত জড়িত? ১

(ঙ) "মানুহবোৰ লণ্ডা-মুণ্ডা গাত কলীয়া কাপোৰ।" ইয়াত কোনবোৰ মানুহৰ কথা কোৱা হৈছে? ১

(চ) বৰত পূজাৰ গীত কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত? ১

Contd.

(ছ) কি উদ্দেশ্যে ভেকুলি বিয়া অনুষ্ঠিত কৰা হয়? ১

(জ) নাওখেলৰ পৰম্পৰা অসমৰ কোন অঞ্চলত অধিক জনপ্ৰিয়? ১

(ঝ) মাধুৰ্য আৰু আলোকেই সংস্কৃতি বোলা পণ্ডিতগৰাকী কোন? ১

(ঞ) 'অসমীয়া জনসাহিত্য' গ্ৰন্থখনৰ লেখক কোন? ১

২। সকলো প্ৰশ্ন বাধ্যতামূলক আৰু সমান নম্বৰৰ ঃ ২×১০=২০

(ক) Museum শব্দৰ মূল কি? Museum বা সংগ্ৰহালয় (যাদুঘৰ)ৰ লগত সংস্কৃতিৰ কি সম্পৰ্ক? ২

(খ) বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে লোক-সংস্কৃতিৰ স্বৰূপ ক'ত ক'ত প্ৰকাশ পায়? তেওঁৰ 'অসমৰ লোক-সংস্কৃতি' গ্ৰন্থৰ আধাৰত দাঙি ধৰা। ২

(গ) মিচিং সকলৰ মাজত চন্দ্ৰ সূৰ্য কি নামেৰে পৰিচিত আৰু ইয়াৰ ওপৰত প্ৰতিষ্ঠিত ধৰ্মীয় পন্থাৰ নাম কি? ২

(ঘ) আখ্যানগীতক অসমীয়াত কি কি নামেৰে জনা যায় আৰু ই কেই প্ৰকাৰৰ? ২

(ঙ) ব্যৱহাৰিক গদ্যৰ আধাৰত ৰচিত মধ্যযুগৰ *দুখন* গ্ৰন্থৰ নাম আৰু সেই দুখন কোনে ৰচনা কৰিছিল লিখা। ২

(চ) 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' গ্ৰন্থখনৰ ৰচক কোন আৰু গ্ৰন্থখনত উল্লেখ থকা কৈবাতজ ধৰ্ম কি? ২

(ছ) 'বৰ অসমৰ' ধাৰণা কাৰ মস্তিষ্ক প্ৰসূত? এই আলোচনা কত কেতিয়া প্ৰথমে প্ৰকাশ পাইছিল? ২

(জ) লোকসংস্কৃতিৰ প্ৰধান ভাগ চাৰিটা কি কি আৰু কোনে এইদৰে প্ৰথমে শ্ৰেণীভুক্ত কৰিছিল? ২

(ঝ) জেকব গ্ৰিম আৰু উইলিয়াম জেকব কোন আৰু তেওঁলোক দুয়ো কিনামে জনাজাত? ২

(ঞ) ৰুদ্ৰসিংহই উত্তৰ ভাৰতৰ পৰা অনোৱা আঠঘৰ মুছলমান কি কি খেলত বিভক্ত আছিল? ২

৩। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) সত্ৰীয়া নৃত্যৰ আংগিক কলা বা নৃত্য শৈলী

(খ) সংস্কৃতিৰ নথিভুক্তকৰণ (Documentation)

(গ) লোক পৰিবেশ্য কলা ঃ ওজাপালি

(ঘ) জনজাতীয় সংস্কৃতিত মাতৃসূত্ৰ (matriarchy) আৰু মাতৃতন্ত্ৰ (matriliny)

(ঙ) বাৰমাহী গীতৰ প্ৰধান বিশেষত্ব

(চ) বিশ্বায়নৰ কবলত বিহু

(ছ) কৃষ্টিৰ পৰিমাৰ্জিত ৰূপেই সংস্কৃতি বুলি কিয় কোৱা হয় চমুৱাই লিখা।

৪। ৰচনাধৰ্মী উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১০×৩=৩০

(ক) বিভিন্ন মাধ্যমত খোদিত লিপিকে ধৰি বিভিন্ন মাধ্যমত অংকিত চিত্ৰশৈলী আৰু মঠ-মন্দিৰৰ নিৰ্মাণশৈলী, মূৰ্তি কলাৰ বিষয়ে সামৰি প্ৰাচীন আৰু মধ্যযুগত নিৰ্মিত অসমৰ কলা-স্থাপত্য-ভাস্কৰ্যৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰা।

(খ) লোকসংগীত আৰু শাস্ত্ৰীয় সংগীতৰ সংজ্ঞা নিৰূপণ কৰি অসমত প্ৰচলিত শাস্ত্ৰীয় সংগীতৰ সৰ্বভাৰতীয় ভিত্তি আৰু স্থানীয় প্ৰভাৱ সম্পৰ্কে এটি ৰচনা লিখা।

(গ) সংস্কৃতি সমাহৰণ (Assimilation) আৰু সংস্কৃতি ধাৰণ (Acculturation) বুলিলে কি বুজা? অসমীয়া বা অসমৰ সংস্কৃতিৰ পটভূমিত বিচাৰ কৰা।

(ঘ) অসমীয়া সংস্কৃতিত সাপপূজা বা বাঁহ পূজাৰ পৰম্পৰা শীৰ্ষক গৱেষণাধৰ্মী প্ৰবন্ধ লিখা। ইয়াৰ প্ৰাচীন পৰম্পৰাৰ পৰা সাম্প্ৰতিককাললৈ কেনেকৈ কি পৰ্যায়ৰ মাজেদি বিকাশপ্ৰাপ্ত হৈছে তাকো দেখুৱাবা।

(ঙ) "কৃষ্টিৰ পৰিশীলিত ৰূপেই সংস্কৃতি"
— উক্ত মন্তব্যৰ আধাৰত সংস্কৃতিৰ স্বৰূপ বিশ্লেষণ কৰি এটি আলোচনা আগবঢ়োৱা।

(চ) শংকৰী সংস্কৃতিৰ সংযুতি বিচাৰ কৰা আৰু ইয়াৰ *যিকোনো এটা* দিশৰ বিষয়ে আলোকপাত কৰি এটি নিবন্ধ যুগুত কৰা।

---